**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
**----------------------------**

১। লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতেই ভিন ভিন ৰাজনৈতিক দলে নতুন চৰকাৰ গঠনক লৈ তৎপৰতা ক্ৰমাৎ বৃদ্ধি কৰি তুলিছে। এই বিষয়ত আলোচনা কৰাৰ উদ্দেশ্যে এন ডি এ আৰু আই এন ডি আই মিত্ৰজোঁট উভয়েই আজি নতুন দিল্লীত একোখন বৈঠকৰ আয়োজন কৰিছে।

২। দেশত লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ মুঠ ২৫টা বিধানসভা সমষ্টিৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপিয়ে ১১ খন, কংগ্ৰেছ দলে ৭ খন, সমাজবাদী পাৰ্টী আৰু তৃণমূল কংগ্ৰেছে দুখনকৈ আসন লাভ কৰিছে।

৩। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীকে ধৰি বিশিষ্ট ব্যক্তিসকলে বিশ্ব পৰিৱেশ দিৱস উপলক্ষে দেশবাসীলৈ ওলগ জনাইছে।

আৰু

৪। ছাৰ্বিয়াৰ ন'ভাক জ'ক'ভিচে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ পৰা মাজভাগতে নাম প্ৰত্যাহাৰ কৰি নিজৰ অভিযান সামৰিছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতেই ভিন ভিন ৰাজনৈতিক দলে নতুন চৰকাৰ গঠনক লৈ তৎপৰতা ক্ৰমাৎ বৃদ্ধি কৰি তুলিছে। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এন ডি এই ২৯২ আসনত জয়লাভ কৰিছে। লোকসভা নিৰ্বাচনৰ ৫৪৩খন আসনৰ আটাইকেইখনৰে ফলাফল ইতিমধ্যে ঘোষণা কৰা হৈছে। বিজেপিয়ে অকলে ২৪০খন আসন লাভ কৰি সংখ্যাগৰিষ্ঠ দলৰূপে পৰিগণিত হৈছে। তেলুগু দেশমে ১৬ খন আৰু জে ডি ইউয়ে ১২ খন আসন হস্তগত কৰিছে। আনহাতে, আই এন ডি আই মিত্ৰজোঁটে ২৩৩খন আসন লাভ কৰাৰ বিপৰীতে অন্যান্যসকল ১৮খন আসনত জয়ী হৈছে।

কংগ্ৰেছে ৯৯খন আসন লাভ কৰাৰ বিপৰীতে সমাজবাদী পাৰ্টীয়ে ৩৭খন, তৃণমূল কংগ্ৰেছে ২৯খন, ডি এম কে-ই ২২খন আসনত জয়লাভ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত একেৰাহে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰাৰ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে নতুন দিল্লীত আজি এন ডি এৰ এখন বৈঠক আহ্বান কৰা হৈছে। এই সন্দৰ্ভত সংবাদ মাধ্যমক জানিবলৈ দি লোক জনশক্তি পাৰ্টীৰ নেতা চিৰাগ পাছৱানে কয় যে, শেহতীয়া লোকসভা নিৰ্বাচনত তেওঁৰ দলৰ সাফল্যৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁক অভিনন্দন জনাইছে। একে সময়তে এন ডি এৰ আজি প্ৰস্তাৱিত বৈঠকখনৰ বিষয়ে সদৰি কৰি শ্ৰীপাছৱানে লগতে কয় যে, তেওঁ এই বৈঠকত অংশগ্ৰহণ কৰিব।

ইপিনে তেলুগু দেশম পাৰ্টী চমুকৈ টি দি পিৰ মুৰব্বী এন চন্দ্ৰবাবু নাইডুৱে এন ডি এৰ বৈঠকত অংশগ্ৰহণৰ উদ্দেশ্যে দিল্লীলৈ ৰাওনা হোৱাৰ পূৰ্বে আজি অন্ধ্ৰপ্ৰদেশৰ অমৰাৱতীত তেওঁৰ বাসভৱনত এখন

সংবাদমেল অনুষ্ঠিত কৰে। নেতাগৰাকীয়ে টি দি পিৰ ঐতিহাসিক জয়লাভৰ বাবে জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰি এই বিজয়ক টি দি পি, জনসেনা আৰু বিজেপিৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ সুফল বুলি অভিহিত কৰে। একেদৰে জে ডি ইউৰ সভাপতি তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰো এন ডি এৰ প্ৰস্তাৱিক বৈঠকত অংশগ্ৰহণৰ উদ্দেশ্যে কেইবাগৰাকীও সহযোগীৰে সৈতে আৰু ইতিমধ্যে দিল্লী অভিমুখে ৰাওনা হৈছে।

আনহাতে আই এন ডি আই মিত্ৰজোঁটৰো এখন বৈঠক আজি সন্ধিয়া নতুন দিল্লীত আয়োজন কৰা হৈছে। এই বৈঠকখন কংগ্ৰেছৰ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসগৃহত অনুষ্ঠিত হ'ব বুলি প্ৰকাশ পাইছে। কংগ্ৰেছ সভাপতিগৰাকীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰকাশ কৰা মতে নিৰ্বাচনৰ ফলাফল আৰু পৰৱৰ্তী কৌশল ৰচনা সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে মিত্ৰজোঁটৰ নেতাসকল আজি সন্ধিয়া ৬ বজাত এখন বৈঠকত মিলিত হ'ব। উল্লেখযোগ্য যে আই এন ডি আই মিত্ৰজোঁটৰ এই বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আৰ জে ডি নেতা তেজস্বী প্ৰসাদ যাদৱ পাটনাৰ পৰা দিল্লী অভিমুখে ৰাওনা হৈছে।

শেহতীয়া নিৰ্বাচনত শিৱসেনা উদ্ধৱ থাকৰে গোটে ৯খন, এন-চি-পি শাৰদ যাদৱ গোটে ৮খন, শিৱসেনা সিন্দেই ৭খন, লোক জনশক্তি পাৰ্টী ৰামবিলাস ৫খন, আৰ জে ডি আৰু চি পি আই এমে ৪খনকৈ, আম আদমী পাৰ্টী আৰু ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগে ৩খনকৈ তথা জে ডি এছ, জনসেনা, চি পি আই, চি পি আই এম এল, ভি চি কে আৰু নেশ্যনেল কনফাৰেন্সে দুখনকৈ আসন লাভ কৰিছে।

এইবাৰৰ লোকসভা নিৰ্বাচনত জয়লাভ কৰা আগশাৰীৰ প্ৰাৰ্থীসকলৰ ভিতৰত প্ৰধানমন্ত্ৰী তথা বিজেপি নেতা নৰেন্দ্ৰ মোডী বাৰানসীৰ পৰা, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ গান্ধীনগৰৰ পৰা, ওম বিৰলা কোটাৰ পৰা, অৰ্জুন ৰাম মেঘৱাল বিকানেৰৰ পৰা, গজেন্দ্ৰ সিং শ্বেখাৱট যোধপুৰৰ পৰা, সৰ্বানন্দ সোণোৱাল ডিব্ৰুগড়ৰ পৰা, জ্যোতিৰাদিত্য সিন্ধিয়া গুণাৰ পৰা, সমাজবাদী পাৰ্টীৰ নেত্ৰী ডিম্পল যাদৱ মেইনপুৰীৰ পৰা, কংগ্ৰেছৰ ৰাহুল গান্ধী উত্তৰ প্ৰদেশৰ ৰায়বেৰেলি আৰু কেৰালাৰ ৱায়নাডৰ পৰা আৰু আছানছ'লৰ পৰা তৃণমূল কংগ্ৰেছৰ শত্ৰুঘ্ন সিনহা অন্যতম। আনহাতে, নিৰ্বাচনত পৰাজয়বৰণ কৰা বিশিষ্ট প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন মুণ্ডা, স্মৃতি ইৰাণী, এন চি পি নেতা ওমৰ আব্দুল্লাহ আৰু পি ডি পিৰ নেত্ৰী মেহবুবা মুফ্‌টি আছে।

উত্তৰ প্ৰদেশৰ ৮০খন আসনৰ ভিতৰত সমাজবাদী পাৰ্টীয়ে ৩৭খন আৰু বিজেপিয়ে ৩৩খন আসন হস্তগত কৰিছে। কংগ্ৰেছে ৬খন আৰু ৰাষ্ট্ৰীয় লোক দলে দুখন আসন লাভ কৰিছে। এ ডি এ এল আৰু এ এছ পি কে আৰ এ একোখনকৈ আসন লাভ কৰিছে। এইবাৰৰ নিৰ্বাচনত বহুজন সমাজ পাৰ্টীৰ এগৰাকী প্ৰাৰ্থীও জয়ী হোৱা নাই।

একেদৰে বিহাৰত ৪০খন আসনৰ আটাইকেইখনৰে ফলাফল ঘোষণা কৰা হৈছে। বিজেপি আৰু জে ডি ইউয়ে ১২খনকৈ আসন লাভ কৰিছে। লোক জনশক্তি পাৰ্টী ৰামবিলাসে পাঁচখন, আৰ জে ডি ৪খন, কংগ্ৰেছে ৩খন আৰু চি পি আই এম এলে দুখন আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। নিৰ্দলীয় প্ৰাৰ্থী ৰাজেশ ৰঞ্জন ওৰফে পাপ্পু যাদৱ পুৰ্ণিয়া সমষ্টিৰ পৰা জয়ী হৈছে।

দিল্লীত বিজেপিয়ে সাতখন আসনৰ সাতোখনেই হস্তগত কৰিছে। পাঞ্জাবত ১৩খন আসনৰ ভিতৰত কংগ্ৰেছে ৭খন, আম আদমী পাৰ্টীয়ে ৩খন, শিৰোমণি আকালি দলে ১খন আৰু নিৰ্দলীয়ই দুখন আসন লাভ কৰিছে। হাৰিয়ানাত বিজেপি আৰু কংগ্ৰেছ উভয়ে ৫খনকৈ আসন লাভ কৰিছে। চণ্ডীগড়ৰ একমাত্ৰ আসনখনত কংগ্ৰেছ প্ৰাৰ্থী মনীষ তিৱাৰী জয়ী হৈছে।

জম্মু-কাশ্মীৰত পাঁচখন আসনৰ ভিতৰত বিজেপি আৰু নেচনেল কনফাৰেন্সে দুখনকৈ আসন লাভ কৰিছে। এখন আসনত নিৰ্দলীয় প্ৰাৰ্থী জয়ী হৈছে। হিমাচল প্ৰদেশৰ চাৰিওখন আসনতে বিজেপিয়ে জয়লাভ কৰিছে। উত্তৰাখণ্ডতো বিজেপিয়ে পাঁচোখন আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। ৰাজস্থানৰ ২৫খন আসনৰ ভিতৰত বিজেপিয়ে ১৪খন, কংগ্ৰেছে ৮খন আৰু চি পি আই এম, ৰাষ্ট্ৰীয় লোকতান্ত্ৰিক পাৰ্টী আৰু ভাৰত আদিবাসী পাৰ্টীয়ে এখনকৈ আসন লাভ কৰিছে।

গুজৰাটত বিজেপিয়ে ২৬খন আসনৰ ভিতৰত ২৫খনতে জয়লাভ কৰিছে। কংগ্ৰেছে এখন আসন লাভ কৰিছে।

মহাৰাষ্ট্ৰত বিজেপিয়ে ৪৮খন আসনৰ ভিতৰত ৯খনত, কংগ্ৰেছে ১৩খন, শিৱসেনা উদ্ধৱ গোটে ৯খনত, এন চি পি শাৰদ পাৱাৰ গোটে ৮খনত, শিৱসেনা সিন্ধে গোটে ৭খন আসন লাভ কৰিছে। মধ্যপ্ৰদেশত বিজেপিয়ে ২৯খন আসন হস্তগত কৰিবলৈ সমৰ্থ হৈছে। ছত্তীশগড়ত বিজেপিয়ে ১০খন আৰু কংগ্ৰেছে ১খন আসন লাভ কৰিছে। ঝাৰখণ্ডত বিজেপিয়ে ১৪খন আসনৰ ৮খনত, ঝাৰখণ্ড মুক্তি মৰ্চাই তিনিখনত, কংগ্ৰেছে দুখনত আৰু এ জে এছ্ ইউয়ে এখনত জয়লাভ কৰিছে।

পশ্চিম বংগত তৃণমূল কংগ্ৰেছে ২৯খন আসন হস্তগত কৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যখনত বিজেপিয়ে ১২খন লাখ কৰিছে।

0000000

মণিপুৰৰ দুয়োটা সংসদীয় সমষ্টিটেই ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। ৰাজ্যখনৰ আউটাৰ মণিপুৰ লোকসভা সমষ্টিত কংগ্ৰেছৰ আলফ্ৰেড কাংগাম এছ আৰ্থাৰে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী এন পি এফ তথা এন ডি এফৰ উমৈহতীয়া প্ৰাৰ্থী কাচি তিমথ জিমিকক ৮৫ হাজাৰ ৪১৮টা ভোটত পৰাস্ত কৰে। আনহাতে ইনাৰ মণিপুৰ সমষ্টিত কংগ্ৰেছৰ দলৰেই আঙমচা বিমল আকৈজামে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী বিজেপি প্ৰাৰ্থী থাউনাউজাম বসন্ত কুমাৰ সিঙক এক লাখ ৯ হাজাৰ ৮০১টা ভোটৰ ব্যৱধানত পৰাভূত কৰি বিজয় সাব্যস্ত কৰে।

0000000

দেশত শেহতীয়াকৈ অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ লগতে ওড়িশা আৰু অন্ধ্ৰপ্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ সমান্তৰালকৈ দেশৰ আন বিভিন্ন অংশৰ মুঠ ২৫টা বিধানসভা সমষ্টিৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচনৰ ফলাফলসমূহো কালি ঘোষণা কৰা হয়। এই আসনসমূহৰ ভিতৰত বিজেপিয়ে ১১ খন, কংগ্ৰেছ দলে ৭ খন, সমাজবাদী পাৰ্টী আৰু তৃণমূল কংগ্ৰেছে দুখনকৈ আসন লাভ কৰাৰ বিপৰীতে ঝাৰখণ্ড মুক্তি মৰ্চা, ভাৰত আদিবাসী পাৰ্টী আৰু চি পি আই-এম এল-এ একোখন আসনত জয়লাভ কৰে। গুজৰাট বিধানসভাৰ ৫ খন আসনৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপিয়ে কেউখন আসনতে জয়লাভ কৰি ১৮২ জনীয়া বিধানসভাত দলৰ সদস্যৰ সংখ্যা ১৬১ লৈ বৃদ্ধি কৰে। উত্তৰ প্ৰদেশৰ ৪টা বিধানসভাৰ বাবে অনুষ্ঠিত নিৰ্বাচনত বিজেপি আৰু সমাজবাদী পাৰ্টী উভয়ে দুখনকৈ আসনত জয়লাভ কৰে।

হিমাচল প্ৰদেশত ৬ খন আসনৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীয়ে ৪ খন আৰু বিজেপিৰ প্ৰাৰ্থীয়ে দুখন আসনত জয় সাব্যস্ত কৰে। শেহতীয়া এই ফলাফলৰ জৰিয়তে মুঠ ৬৫ খন আসন বিশিষ্ট হিমাচল প্ৰদেশ বিধানসভাত কংগ্ৰেছ দলৰ সদস্যৰ সংখ্যা ৩৮লৈ বৃদ্ধি পোৱাৰ বিপৰীতে বিজেপিৰ বিধায়কৰ সংখ্যা পূৰ্বৰ ২৫ৰ পৰা ২৭ লৈ বৃদ্ধি পালে। আনহাতে ঝাৰখণ্ডৰ উপ-নিৰ্বাচন অনুষ্ঠিত একমাত্ৰ

আসনখনত ৰাজ্যখনৰ ভূতপূৰ্বৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনৰ পত্নী তথা ঝাৰখণ্ড মুক্তিমৰ্চা পাৰ্টীৰ কল্পনা চোৰেনে বিজেপিৰ দিলীপ কুমাৰ বাৰ্মাক পৰাভূত কৰি জয়লাভ কৰে। বিহাৰত চি পি আই এম এলৰ প্ৰাৰ্থী শিৱ প্ৰকাশ ৰঞ্জনে জনতা দল ইউনাইটেডৰ প্ৰভূনাথ প্ৰসাদক পৰাস্ত কৰে। পশ্চিমবংগত উপ নিৰ্বাচন অনুষ্ঠিত দুয়োখন আসনতে তৃণমূল কংগ্ৰেছ দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে। হাৰিয়ানাৰ নতুন মুখ্যমন্ত্ৰী নায়াব সিং ছাইনিয়ে ৰাজ্যখনৰ কাৰ্নাল সমষ্টিৰ পৰা কংগ্ৰেছ নেতা তাৰ্লোচন সিঙক পৰাস্ত কৰে। ৰাজ্যখনৰ পূৰ্বৰ মুখ্যমন্ত্ৰী মনোহৰ লাল খাট্টাৰে লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ উদ্দেশ্যে পদত্যাগ কৰাৰ পৰিপ্ৰেক্ষিতত এই আসনখন খালী হৈছিল। ইপিনে ত্ৰিপুৰাৰ ৰামপুৰ বিধানসভাৰ উপ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে জয়লাভ কৰে। সমষ্টিটোৰ বিজেপিৰ বিধায়ক সুৰজিৎ দত্তৰ মৃত্যুৰ ফলত এই আসনখন খালী হৈছিল। তেলেংগানাৰ ছেকান্দাৰাবাদ কেণ্টনমেণ্ট আৰু কৰ্ণাটকৰ শ্বোৰাপুৰ বিধানসভা সমষ্টিৰ লগতে তামিলনাডুৰ ৱিলাভানকোড সমষ্টিৰ বাবে অনুষ্ঠিত উপ নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে। আনহাতে ৰাজস্থানৰ বাগিডোৰা বিধানসভা সমষ্টিত ভাৰত আদিবাসী পাৰ্টীৰ প্ৰাৰ্থীগৰাকীয়ে বিজয় সাব্যস্ত কৰে।

০০০০০০০

ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন কুমাৰ পাটনায়কে আজি ভূৱনেশ্বৰৰ ৰাজভৱনত ৰাজ্যপাল ৰঘূবীৰ দাসৰ হাতত পদত্যাগ পত্ৰ দাখিল কৰে। ৰাজ্যখনৰ সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনত বিজু জনতা দলৰ পৰাজয়ৰ পাছতে তেওঁ পদত্যাগ পত্ৰ দাখিল কৰে। উল্লেখযোগ্য যে শ্ৰীপাটনায়ক হৈছে ওড়িশাৰ আটাইতকৈ দীৰ্ঘদিনীয়া সেৱা আগবঢ়োৱা মুখ্যমন্ত্ৰী। তেওঁ একেৰাহে পাঁচবাৰৰ বাবে অৰ্থাৎ ২৪ বছৰ ৩ মাহ মুখ্যমন্ত্ৰীৰ পদত আছিল। ২০০০ চনৰ ৫ মাৰ্চত তেওঁ প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনত এইবাৰ বিজেপিয়ে ১৪৭ খন আসনৰ ভিতৰত ৭৮ খন আসন লাভ কৰাৰ বিপৰীতে বি জে ডিয়ে ৫১ খন, কংগ্ৰেছে ১৪ খন আৰু অন্যান্য দলে ৪ খন আসন লাভ কৰে।

০০০০০০০

আজি বিশ্ব পৰিৱেশ দিৱস। পৰিৱেশ সম্পৰ্কে সজাগতা সৃষ্টি তথা পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহ সমাধানৰ বাবে তাৎক্ষণিকভাৱে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ উদ্দেশ্যে আজি সমগ্ৰ বিশ্বতে এই দিৱস পালন কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৭২ চনত মানৱ পৰিৱেশ সন্দৰ্ভত অনুষ্ঠিত কৰা ষ্ট'কহোম কনফাৰেন্সত বিশ্ব পৰিৱেশ দিৱস পালন কৰাৰ পদক্ষেপ হাতত হৈছিল। ইয়াৰ এবছৰৰ পাছত অৰ্থাৎ ১৯৭৩ চনত প্ৰথমবাৰৰ বাবে বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। পৰিৱেশ সন্দৰ্ভত সজাগতা সৃষ্টি, কাৰ্যকৰী আঁচনি গ্ৰহণ তথা এই বিষয়ত গোলকীয় সহযোগিতাক উদগণি যুগুৱাই হৈছে বিশ্ব পৰিৱেশ দিৱস পালনৰ মূল উদ্দেশ্য।

ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদী মুৰ্মুৱে আজিৰ দিনটোত জনসাধাৰণক এখন উন্নত আৰু সেউজ পৃথিৱী গঢ়ি তুলিবৰ বাবে সামূহিক প্ৰচেষ্টা চলাবলৈ আহ্বান জনায়। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী মুৰ্মুৱে কয় যে, আমি প্ৰাকৃতিক সম্পদবোৰৰ গৰাকী নহয় বৰং ৰখীয়াহে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে জলবায়ু পৰিৱৰ্তনে জীৱন তথা জীৱন ধাৰণৰ প্ৰক্ৰিয়া, বিশেষকৈ পিছপৰা সমুদায়সমূহৰ ওপৰত অধিক প্ৰভাৱ পেলাইছে বুলি উল্লেখ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও জনসাধাৰণক বিশ্ব পৰিৱেশ দিৱসৰ শুভেচ্ছা জনাই কয় যে, মানৱতা আৰু প্ৰকৃতিৰ মাজৰ সম্প্ৰীতি হৈছে বহনক্ষম জীৱনৰ মূল আধাৰশিলা। তেওঁ লগতে কয় যে, সভ্যতাই প্ৰদান কৰা নীতি নিয়মসমূহে আমাক প্ৰকৃতিৰ সৈতে সামঞ্জস্য ৰাখি জীয়াই থাকিবলৈ পথ দেখুৱায়। উপ-

ৰাষ্ট্রপতিগৰাকীয়ে জনসাধাৰণক বহনক্ষমতাৰ নীতিসমূহ আকোঁৱালি লৈ পৃথিৱীখনক সুৰক্ষিত কৰি ৰখাৰ বাবে প্রতিশ্রুতিবদ্ধ হ'বলৈ আহ্বান জনায়।

ইফালে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আয়োজন কৰা **এক পেৰ মা কে নাম** কার্যসূচীৰ অধীনত নতুন দিল্লীৰ বুদ্ধজয়ন্তী উদ্যানত এটা গছপুলি ৰোপণ কৰে। এই কার্যসূচীত কেন্দ্রীয় পৰিৱেশ মন্ত্রী ভূপেন্দৰ যাদৱ আৰু দিল্লীৰ লেফটেনেণ্ট গৰ্ভনৰ বিনয় কুমাৰ সক্সেনা উপস্থিত থাকে।

আনহাতে আকাশবাণী গুৱাহাটী কেন্দ্রইও আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মঙলদৈ টাউন হাইস্কুলত পৰিৱেশ সজাগতা অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে বক্তৃতানুষ্ঠানৰ উপৰি ছাত্র-ছাত্রীসকলৰ গীত মাতৰ লগতে ৰচনা লিখা, পোষ্টাৰ অংকন আৰু কুইজ প্রতিযোগিতা অনুষ্ঠিত হয়।

0000000

ছাৰ্বিয়াৰ ন'ভাক জ'ক'ভিচে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্রতিযোগিতা ফ্রেন্স অ'পেনৰ পৰা মাজভাগতে নাম প্রত্যাহাৰ কৰি নিজৰ অভিযান সামৰিছে। পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্রৱেশ কৰা জ'ক'ভিচে খেলখনৰ প্ৰাক মুহূৰ্তত সামাজিক মাধ্যমযোগে নাম প্রত্যাহাৰ কৰাৰ বিষয়ে অৱগত কৰে। আঘাতৰ বাবে তেওঁ এই সিদ্ধান্ত লোৱা বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে অভিলেখসংখ্যক ২৪ টা গ্ৰেণ্ডশ্লাম খিতাপ জয় কৰা জ'ক'ভিচে ৪ ঘণ্টা ২৯ মিনিট ধৰি চলা এখন খেলত ইটালীৰ লৰেঞ্জোক পৰাস্ত কৰি চতুৰ্থ ৰাউণ্ডত প্রৱেশ কৰাৰ পাছত আৰ্জেণ্টিনাৰ ফ্রান্সিস্ক'ৰ বিৰুদ্ধে জয়ী হৈ অন্তিম ৮ ত প্রৱেশ কৰিছিল।

0000000

সমাপ্ত